بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ    نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ    وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৯ চনৰ ২২ নভেম্বৰত মছজিদ বায়তুল ফুতুহ মৌৰডন বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - বদৰি চাহাবা সকলৰ বিষয়ে চলি অহা বিৰৰণীত আজি মই হজৰত মিকদাদ বিন আছুআদ অথবা মিকদাদ বিন উমৰুৰ বিষয়ে উল্লেখ কৰিম। এখেতৰ আচল নাম আছিল মিকদাদ বিন উমৰু ৰাঃ। হজৰত মিকদাদ (ৰাঃ)ৰ দেউতাকৰ নাম আছিল উমৰু বিন শ্বোৰলবা এয়া সত্বেও হজৰত মিকদাদ (ৰাঃ)ক আছুআদ বিন ইয়াগুচৰ ফালে সম্পৰ্কিত কৰা হয়। ইয়াৰ কাৰণ হল এইজন লোকে হজৰত মিকদাদ (ৰাঃ)ক সৰুতেই নিজৰ আশ্ৰয়ত লৈ লৈছিল সেই বাবে এখেত (ৰাঃ)য়ে মিকদাদ বিন আছুদ নামেৰে পৰিচিত হৈ পৰিছিল। যিয়েই নহওঁক এয়া আল্লাহ তায়ালাৰ আদেশ আছিল যে উদওহুম লিআবাইহিম। অৰ্থ্যাৎ যদিও লালন পালনকাৰী আৰু কোনোবাজনৰ আশ্ৰয়ত আছে। তথাপি আচল বংশ যি আছে, সেয়া নিজৰ দেউতাকৰ বংশ। গতিকে পিতৃৰ সম্পৰ্কে উপাধিত মতা উচিত।

আঁহজৰত (ছাঃ)য়ে নিজৰ খুৰা হজৰত জুবায়েৰ বিন আব্দুল মুত্তালিবৰ জীয়েক জুবাআৰ সৈতে হজৰত মিকদাদ (ৰাঃ)ৰ বিয়া পাতি দিছিল। এখেত (ৰাঃ)ৰ ঔৰসত, জুবাআৰ গৰ্ভত দুজন সন্তানৰ জন্ম হৈছিল। সন্তান দুজনৰ নাম আছিল কেৰিমা আৰু আব্দুল্লাহ। আব্দুল্লাহ জমালৰ যুদ্ধত হজৰত আয়শা (ৰাঃ)ৰ হৈ ৰণভূমিত শ্বাহাদত বৰণ কৰিছিল। আঁহজৰত (ছাঃ)য়ে জুবাআ (ৰাঃ)ক খয়বৰৰ পৰা চল্লিশ থোপা খেজুৰ দান কৰিছিল। যাৰ ওজন আছিল প্ৰায় ছশ কিঃ গ্ৰাঃ। হজৰত মিকদাদ (ৰাঃ)ৰ জীয়েক কেৰিমা কৈছে যে তেখেত (ৰাঃ) ওখ আৰু সোনালী বৰণৰ লোক আছিল। পেটুৰা আৰু মূৰৰ চুলি ঘন আছিল, তেখেতে দাড়িত গেঢ়োৰা ৰং লগাইছিল,যি দেখিবলৈ ধুনীয়া আছিল, দাড়ি বেছি ডাঙৰ অথবা সৰুও নাছিল। চকুযুৰি আছিল কলা আৰু চেলাউৰি যোৰ আছিল পাতল দীঘলীয়া।

হজৰত আব্দুল্লাহ বিন মাছুদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হজৰত মিকদাদ সেই সাতজন চাহাবাৰ এজন আছিল, যিসকলে সৰ্ব প্ৰথম মক্কাত ইছলাম গ্ৰহনৰ কথা প্ৰকাশ কৰিছিল। হজৰত মিকদাদ (ৰাঃ) হাবশালৈ হিজৰতকাৰী মুছলমান সকলৰ লগত অংশ গ্ৰহন কৰিছিল। কিন্তু কিছুদিন পিছত এখেতে মক্কালৈ ওভতি আহিছিল। যেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে মদিনালৈ হিজৰত কৰিছিল তেতিয়া হজৰত মিকদাদ (ৰাঃ)য়ে হিজৰত কৰিব পৰা নাছিল। আঁহজৰত (ছাঃ)য়ে হজৰত উবেদা বিন হাৰিছৰ নেতৃত্বত এটা দল প্ৰেৰণ নকৰালৈকে হজৰত মিকদাদ (ৰাঃ) মক্কাতেই আছিল।

যুদ্ধ ৰাতানৰ পৰা ওভতি আহোতে ৰবিউল আউৱাল মাহৰ প্ৰথম ভাগত আঁহজৰত (ছাঃ)য়ে নিজৰ এজন আত্মীয় উবেদা বিন আলহাৰিছ মতলবিৰ নেতৃত্বত ষাটি, সত্তৰজন মুহাজেৰিনৰ এটা দল প্ৰেৰণ কৰিছিল। এই যাত্ৰাৰ উদ্দেশ্য আছিল কুৰাইছে মক্কাৰ আক্ৰমণ প্ৰতিহত কৰা। গতিকে উবেদা বিন আলহাৰিছ (ৰাঃ)য়ে যেতিয়া তেখেতৰ লগৰীয়া সকলক লৈ কিছুদুৰ পথ অতিক্ৰম কৰি গৈ ছানিয়াতুল মৰাহুৰ ওচৰত উপস্থিত হৈছিল তেতিয়া লক্ষ্য কৰি দেখিছিল যে কুৰাইছ সকলৰ প্ৰশিক্ষণ প্ৰাপ্ত দুশ ডেকা আক্ৰামা বিন আবু জাহিলৰ নেতৃত্বত বাহৰ পাতি আছে। এনেদৰে দুয়োপক্ষৰ মাজত তীৰ যুদ্ধৰ সুত্ৰপাত হয় কিন্তু এনেতে মুশৰিকৰ দলটোৱে ভয় খাই পিছুৱাই গৈছিল যে মুছলমান সকলৰ পিছে আৰু সহায়ক সৈন্য লুকাই আছে। এনেতে মহুৰ্তত মুছলমান সকলেও সিহঁতৰ পিছানুসৰণ কৰা নাছিল। এনেতে মুশৰেকিন সকলৰ সৈন্য দলৰ পৰা দুজন ব্যাক্তি হজৰত মিকদাদ বিন উমৰু আৰু উতবা বিন গজওৱান আক্ৰামা বিন আবু জাহিলৰ দলৰ পৰা পলাই আহি মুছলমান সকলৰ লগত মিলি গৈছিল। লিখিছে যে এওঁলোক দুজনে এই উদ্দেশ্যাই কুৰাইছ সকলৰ লগত আহিছিল যে যাতে সুবিধা বুজি মুছলমান সকলৰ লগত আহি মিলিব পাৰে কাৰণ এওঁলোক দুজন অন্তৰত আছিল মুছলমান।

মদিনালৈ হিজৰত কৰি আহি হজৰত মিকদাদ (ৰাঃ)য়ে হজৰত কুলছুম বিন হিদামৰ ঘৰত অৱস্থান কৰিছিল। আঁহজৰত (ছাঃ)য়ে হজৰত মিকদাদ (ৰাঃ) আৰু হজৰত জববাৰ বিন চাখাৰ (ৰাঃ)ৰ মাজত ভাতৃত্ব বন্ধন প্ৰতিষ্ঠা কৰি দিছিল। আঁহজৰত (ছাঃ)য়ে হজৰত মিকদাদ (ৰাঃ)ক বণু হুদিলা যি আনছাৰ কবিলা খজৰজৰ এটা গোত্ৰ আছিল, তেওঁলোকৰ চবুৰীত থাকিবলৈ

ঠাই দিছিল।

হজৰত মিকদাদ (ৰাঃ)য়ে যুদ্ধ বদৰ,অহুদ,আৰু পৰিখাৰ যুদ্ধ আদিকৰি সকলো যুদ্ধতেই ৰছুলুল্লাহ (ছাঃ)ৰ সৈতে যোগ দিছিল। হজৰত মিকদাদ (ৰাঃ)ক আঁহজৰত (ছাঃ)ৰ বাছনি কৰা তীৰ আন্দাজী সকলৰ এজন বুলি গণ্য কৰি বৰ্ণনা কৰা আছে।

খাতামান্নাবিঈনৰ জীৱন চৰিতত বদৰৰ যুদ্ধ সম্পৰ্কে লিখা আছে যে শত্ৰু সকলৰ অহাৰ উমান পাই আঁহজৰত (ছাঃ)য়ে সিহঁতৰ পৰিকল্পনাৰ গম লবলৈ আৰু যদি সিহঁতে আক্ৰমণ চলায় তেন্তে সিহঁতৰ আক্ৰমণ ৰোধ কৰিবলৈ বদৰৰ ফালে যাত্ৰা কৰিছিল আৰু ৰওঁহা নামক স্থানত উপস্থিত হোৱাৰ পিছত তেখেত (ছাঃ)য়ে বছিচ আৰু আদি নামৰ দুজন চাহাবাক শত্ৰু সকলৰ আচাৰ-আচৰণ আৰু স্থান আদিৰ গম লবলৈ আগতেই বদৰৰ ফালে পঠাই দিছিল আৰু সিহঁত দুজনক আদেশ দিছিল যে যিমান সোনকালে পাৰে শত্ৰুৰে খবৰ লৈ ঘুৰি আহিব লাগে। ইয়াৰ পিছত ৰওহাৰ পৰা আগুৱাই গৈ মুছলমান সকলে যেতিয়া ছফৰাৰ এক কাষেৰে পাৰ হৈ জফৰান নামৰ ঠাইত গৈ উপস্থিত হৈছিল, যি বদৰৰ পৰা মাত্ৰ এক মঞ্জিল দুৰ আছিল তেতিয়া খবৰ পাইছিল যে কাফেলাৰ নিৰাপত্তাৰ বাবে কুৰাইছ সকলৰ এটা দুঃসাহসী দল মক্কাৰ পৰা আহি আছে। তেতিয়া আঁহজৰত (ছাঃ)য়ে গোটেই চাহাবা সকলক একগোট কৰি এই সম্পৰ্কে জনাইছিল আৰু তেওঁলোকৰ পৰা পৰামৰ্শ বিচাৰিছিল যে এতিয়া কি কৰা উচিত হব ? সেই বৈঠকত ডাঙৰ ডাঙৰ বীৰত্ব থকা চাহাবা সকলে উঠি উঠি প্ৰাণ উচৰ্গী, আত্মত্যাগী ভাষনেৰে সকলোকে উদ্ধাউল কৰিছিল আৰু জনাইছিল যে আমাৰ জান-মাল সকলো খোদাৰ নিমিত্তে কুৰবান। আমি সকলো ক্ষেত্ৰতেই, সকলো ধৰণৰ সেৱা আগবঢ়াবলৈ সাজু আছোঁ। তেতিয়া হজৰত মিকদাদ বিন উমৰু (ৰাঃ)য়ে কৈছিল - ইয়া ৰছুলুল্লাহ ! আমি মুছা (আঃ)ৰ অনুসাৰী সকলৰ দৰে নহয় যে আপোনাক এয়া উত্তৰ দিম যে তুমি আৰু তোমাৰ খোদা গৈ লড়াই কৰা,মই ইয়াতে বহি আছো বৰং আমি এয়া কওঁ যে আপুনি যতেই বিচাৰে বলক, মই আপোনাৰ লগত আছো। মই আপোনাৰ সোঁৰে বাওঁৰে আৰু আগে আৰু পিছে থাকি যুদ্ধ কৰিম। তেখেত (ছাঃ)য়ে এনে ভাষণ শুনি বৰ মুগ্ধ হৈছিল আৰু তেখেত (ছাঃ)ৰ চেহেৰাত আনন্দৰ বেঙেণী বিৰিঙি উঠিছিল।

হজৰত মিকদাদ (ৰাঃ) বদৰৰ যুদ্ধত আল্লাহৰ বাটত ৰণ কৰিবলৈ প্ৰথমে অশ্বৰোহী হোৱাৰ সৌভাগ্য লাভ কৰিছিল। হজৰত মিৰ্জা বশিৰ উদ্দিন চাহাবে খাতামান্নাবীঈনৰ জীৱন চৰিতত লিখিছে যে বদৰৰ যুদ্ধত মুছলমান সকলৰ ওচৰত মাত্ৰ দুটা ঘোঁৰা আছিল। মুছলমান সকলৰ যুদ্ধ সৰঞ্জাম আৰু কাফিৰ সকলৰ যুদ্ধ সৰঞ্জামৰ তুলনাত একোৱে নাছিল। তথাপি কিন্তু শত্ৰুৰ মোকাবেলা কৰিবলৈ যেতিয়া থিয় হৈছিল তেতিয়া মুহাজেৰিন আৰু আনছাৰ সকলে যি শপথ লৈছিল সেয়া পূৰ্ণ কৰি দেখুৱাইছিল।

এবাৰ হজৰত মিকদাদ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ক সুধিছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) যদি কোনো কাফিৰৰ সৈতে মোৰ লড়াই হৈ যায় আৰু তেওঁ মোৰ এটা হাত তৰোৱালেৰে খুছোৱা কৰি তৎক্ষণাত গছৰ আঁৰত লুকাই পৰে আৰু কয় যে মই আল্লাহৰ নিমিত্তে মুছলমান হৈ গৈছো। ইয়া ৰছুলুল্লাহ মই তাক মাৰিব পাৰিমনে, যদিও তেওঁ এনেকুৱা কথা কৈছে ? তেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল তুমি তাক হত্যা নকৰিবা। হজৰত মিকদাদ (ৰাঃ)য়ে কৈছিল তেওঁ যে মোৰ এখন হাত কাটি পেলাইছে ! ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল তুমি তাক হত্যা নকৰিবা কাৰণ যদি তুমি তাক মাৰি পেলোৱা তেন্তে তেওঁ তোমাৰ এই মৰ্যাদাৰ অধিকাৰী হব, যি মৰ্যাদা সম্পন্ন তুমি তাক হত্যা কৰাৰ আগত আছিলা। অৰ্থ্যাৎ ঈমানৰ মানদণ্ডত তুমি তাৰ দৰে এক পৰ্যায়ৰ হৈ যাবা, যিটো স্থানত তেওঁ কলেমা পঢ়াৰ আগত অৱস্থান কৰি আছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এয়াই হল কলেমা পঢ়োতা সকলৰ স্থান বা মানদণ্ড, যি আঁহজৰত (ছাঃ)য়ে নিৰূপন কৰি থৈ গৈছে। বৰ্তমান নামধাৰী উলামা সকল আৰু মুছলমান অৰ্থ্যাৎ ইছলামী শাসক সকলৰ কাৰ্য লক্ষ্য কৰক। তেওঁলোকে নিজেও চাওঁক যে এই হাদীছ অনুসৰি তেওঁলোকে কোনটো স্থানত গৈ উপনীত হৈছে, মোমিনৰ স্থানত উপনীত হৈছে নে কাফিৰৰ স্থানত উপনীত হৈছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে - বণু ফুজ্জাৰৰ এজন লোক উৱেনিয়া বিন হচন এবাৰ বণু গোথফানৰ অশ্বৰোহী সকলৰ মিলি আঁহজৰত (ছাঃ)ৰ উট চুৰ কৰি নিছিল আৰু উট ৰখীয়াক হত্যা কৰিছিল। তেতিয়া হজৰত ছালমা বিন আকউৱা সেই লণ্ঠনকাৰী সকলৰ পিছে পিছে খেদি গৈছিল আৰু তীৰ চলাইছিল। তেতিয়া হজৰত ছলমা (ৰাঃ)য়ে তেখেতক সহায় কৰাৰ বাবে চিঞৰি মাত দিছিল। আঁহজৰত (ছাঃ)য়ে ছলমা (ৰাঃ)ৰ সেই মাত শুনি, যিজন অশ্বোৰোহী সৰ্ব প্ৰথম আঁহজৰত

(ছাঃ)ৰ ওচৰত হাজিৰ হৈছিল, তেখেত আছিল হজৰত মিকদাদ (ৰাঃ)।

আঁহজৰত (ছাঃ)য়ে যেতিয়া মক্কা আক্ৰমনৰ প্ৰস্তুতি চলাইছিল তেতিয়া এই বিয়য়টো বৰ গোপনে ৰখা হৈছিল। এনেতে এজন বদৰি চাহাবী হজৰত হাতব বিন বুলতাহ (ৰাঃ)য়ে আগে পিছে নাভাবি মুৰ্খৰ দৰে নিৰ্বোধ হৈ মক্কাৰ পৰা এজনী মহিলাৰ হাতত এখন গুপ্ত চিঠি মক্কালৈ প্ৰেৰণ কৰিছিল। যিখন চিঠিত মক্কাৰ ওপৰত আক্ৰমণ চলোৱাৰ সকলো প্ৰস্তুতিৰ বিৰৰণ উল্লেখ আছিল। আল্লাহ তায়ালা এই বিষয়ে আঁহজৰত (ছাঃ)ক খবৰ দিছিল আৰু তৎক্ষণাত আঁহজৰত (ছাঃ)য়ে হজৰত আলি (ৰাঃ), জুৱেৰ (ৰাঃ),আৰু হজৰত মিকদাদ (ৰাঃ)ক সেই মহিলাৰ পৰা পত্ৰ ঘুৰাই আনিবলৈ পঠিয়াইছিল। হজৰত আলি (ৰাঃ)ৰ পৰা ৰোৱায়েত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে কৈছিল যে ৰওজা খাক নামক স্থানত গৈ তোমালোকে মহিলাজনীক ধৰিবা পাৰিবা। আমি তাতে গৈ সেই মহিলাজনীক লগ পাইছিলো আৰু তাইৰ পৰা পত্ৰখন ওভতাই আনি, ৰছুলুল্লাহ (ছাঃ)ৰ হাতত গতাই দিছিলো।

এৰমুকৰ যুদ্ধতও হজৰত মিকদাদ (ৰাঃ)য়ে অংশগ্ৰহন কৰিছিল। তেখেত (ৰাঃ)য়ে এই যুদ্ধত কাৰি আছিল ।ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত মিকদাদ (ৰাঃ)ক এটা দলৰ আমিৰ নিযুক্তি কৰিছিল। যেতিয়া তেখেত (ৰাঃ)য়ে ঘুৰি আহিছিল, ৰছুলুল্লাহ (ছাঃ)য়ে তেখেতক সুধিছিল হে আবু মোৰাবধ তুমি এই পদবী কেনে পালা ? তেখেত (ৰাঃ)য়ে উত্তৰ দিছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) মই যেতিয়া যাত্ৰালৈ ওলাই পৰিছিলো, মোৰ এনে অৱস্থা হৈছিল,যেনিবা মই বেলেগ লোক সকলক মোৰ গোলাম বনাই লৈছো। তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল হে আবু মোৰাবধ নেতৃত্বৰ পদবী এনেকুৱাই হৈ থাকে কেৱল সেই সকলৰ বাদে যি সকলক আল্লাহ তায়ালায় ইয়াৰ কু-প্ৰক্ৰিয়াৰ পৰা ৰক্ষা কৰে। তেতিয়া হজৰত মিকদাদ (ৰাঃ)য়ে কৈছিল; ইয়াত কোনো সন্দেহ নাই। সেই সত্তাৰ কছম ! যিয়ে আপোনাক সত্য নবী কৰি পঠাইছে, মই দুজন লোকৰ ওপৰতও পৰিচালক হোৱাটো পছন্দ নকৰিম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এয়াই আছিল তাকওয়াৰ মানদণ্ড। চাহাবা সকলে ভাৱিছিল যে লোক অফিচাৰ হলে অহংকাৰৰ জন্ম হব পাৰে। গতিকে মই পছন্দ নকৰোঁ যে দুজন মানুহেই নহওঁক কিয় মোৰ তলতীয়া হওঁক। গতিকে আমাৰ সকলো পদাধিকাৰী সকলে সদায় মনত ৰখা উচিত হব যে প্ৰথমে ইয়াৰ বাবে ইচ্ছা প্ৰৰণ হব নালাগে আৰু যেতিয়া পদবী এটা দিয়া হয় তেতিয়া আল্লাহ তায়ালাৰ ওচৰত দোৱা কৰিব লাগিব যাতে আল্লাহ তায়ালাই এই পদবীৰ পৰা উদ্ভৱ হব পৰা নিজৰ কু-প্ৰক্ৰিয়াৰ পৰা নিৰাপদ ৰাখে। আল্লাহ তায়ালা যেন মনত অহংকাৰ জন্ম নিদিয়ে আৰু তাৰ কৃপা ভিক্ষা কৰা উচিত।

হজৰত মিকদাদ (ৰাঃ)হামচ আক্ৰমণত হজৰত উবেদা বিন জাৰাহৰ লগত আছিল। হজৰত মিকদাদ (ৰাঃ)মিছৰ বিজয়তও অংশগ্ৰহন কৰিছিল। জবিৰ বিন নফিৰ বৰ্ণনা কৰিছে যে হজৰত মিকদাদ (ৰাঃ) আমাৰ ওচৰলৈ আহি কৈছিল যে আল্লাহৰ কছম ! মই ৰছুলুল্লাহ (ছাঃ)ক এয়া কওঁতে শুনিছো যে সৌভাগ্যবান হল তেওঁ, যাক বিবাদৰ পৰা বচোঁৱা হৈছে। তেখেত (ছাঃ)য়ে কৈছে যে - যদি বিপদ ঘনাই আহে তেন্তে ধৈৰ্য্য ধাৰণ কৰা।

হজৰত মিকদাদ (ৰাঃ)ৰ পেট বৰ ডাঙৰ আছিল, তেখেতৰ এজন গোলাম (দাস) আছিল। তেওঁ এবাৰ কৈছিল যে মই আপোনাৰ পেট কাটি চৰ্বি উলিয়াই দিম। সেইমতেই তেওঁ হজৰত মিকদাদ (ৰাঃ)ৰ পেট অস্ত্ৰোপ্ৰচাৰ কৰি চৰ্বি উলিয়াই আকৌ চিলাই দি দিছিল। কিন্তু এই কাৰণেই হজৰত মিকদাদ (ৰাঃ)ৰ মৃত্যু হৈছিল। কিন্তু আন এটা ৰোৱায়েতত আছে যে কলেষ্টল বৃদ্ধি পোৱাৰ কাৰণে হজৰত মিকদাদ (ৰাঃ)জীয়েকে কৈছে তেখেত (ৰাঃ)ৰ মৃত্যু মদিনাৰ পৰা তিনি মাইল দুৰত অৱস্থিত জৰফ নামৰ ঠাইত হৈছিল আৰু তাৰ পৰা মানুহে কান্ধত তুলি তেখেতৰ দেহ মোবাৰক মদিনালৈ অনা হৈছিল। হজৰত উচমান (ৰাঃ)য়ে হজৰত মিকদাদ (ৰাঃ)ৰ নমাজে জানাজা পঢ়াইছিল আৰু জান্নাতুল বকিত তেখেত (ৰাঃ)ক দফন কৰিছিল।

ৰছুলুল্লাহ (ছাঃ)য়ে কৈছে - আল্লাহ তায়ালা মোক চাৰিৰ সৈতে ভাল পাবলৈ আদেশ দিছে আৰু মোক কোৱা হৈছে যে সিহঁতেও তেখেতক ভাল পায়। তেতিয়া প্ৰশ্ন কৰা হৈছিল যে ইয়া ৰছুলুল্লাহ তেওঁলোক চাৰিজন আলি,আবুজৰ,চলমান,মিকদাদ।

হজৰত আলি (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে নবী কৰিম (ছাঃ)য়ে কৈছে যে প্ৰত্যেকজন নবীকেই সাতজনকৈ সাধু পুৰুষ বন্ধু হিচাপে দিয়া হৈছে কিন্তু মোক চৈধ্যজন এনে বন্ধু দান কৰিছে। মই তেতিয়া আৰজ কৰিছিলো যে তেওঁলোক কোন হয় ? হজৰত আলি (ৰাঃ)য়ে কৈছে যে তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল যে এজন হলো মই (হজৰত আলি) মোৰ দুজন পুত্ৰ

হাছান,আৰু জাফৰ হামজা,আবু বক্কৰ,উমৰ,মুছাব বিন উমিৰ,বিলাল,ছলমান,আম্মাৰ,মিকদাদ,হুজায়ফা,আবুজৰ,আৰু আব্দুল্লাহ বিন মাছুদ (ৰাঃ)।

হজৰত মিকদাদ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে তেখেতে এদিন শৌচ কৰিবলৈ বকিয়াৰ ফালে গৈছিল। তেখেতে তাত এটা এন্দুৰ দেখিবলৈ পাইছিল,যিয়ে গাতঁৰ পৰা এক দিনাৰ উলিয়াই আনিছিল, আকৌ ভিৰতলৈ গৈ আৰু এক দিনাৰ উলিয়াই আনিছিল এনেদৰে সেইটোৱে সোতৰটা দিনত বাহিৰলৈ উলিয়াই আনিছিল। ইয়াৰ পিছত এখন ৰঙা বৰণৰ কাপোৰ উলিয়াই আনিছিল। হজৰত মিকদাদ (ৰাঃ)য়ে কৈছে যে মই সেই কাপোৰ টানি ধৰিছিলো তাতো এটা পাইছিলো। মই সেইবোৰ লৈ আনি আঁহজৰত (ছাঃ)ৰ ওচৰত হাজিৰ হৈছিলো আৰু তেখেত (ছাঃ)ক গোটেই ঘটনাখিনি শুনাইছিলো আৰু আবেদন জনাইছিলো যে ইয়া ৰছুলুল্লাহ তাৰ ছদকা গ্ৰহন কৰক। তেখেত (ছাঃ) কৈছিল তাৰ কোনো ছদকা নাই, সেইবোৰ লৈ যোৱা। আল্লাহ তায়ালা সেইবোৰত তোমাৰ নিমিত্তে বৰকত দান কৰক। এনেদৰে আল্লাহ তায়ালা মোৰ বাবে ব্যৱস্থা কৰি দিছিল।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ আইঃয়ে কৈছে যে সদায় দোৱা কৰা উচিত যাতে বংশত দ্বীন প্ৰতিষ্ঠিত থাকে আৰু আল্লাহৰ কৃপাৰ শলাগ লোৱা উচিত। ইয়াতে এটা দোৱা উল্লেখ কৰিছে সেয়া হল “ওয়াল্লাজিনা ইয়াকুলুনা ৰাববানা হাবলানা মিন আজওয়াজিনা ওয়া জুৰৰিয়াতিনা কুৰৰাতা আয়নি” অৰ্থ্যাৎ আৰু সেই লোক সকল যিযে এয়া কয় যে হে আমাৰ পালনকৰ্ত্তা আমাক আমাৰ জীৱণ লগৰী আৰু সতি সন্তানৰ মাজেৰে চকুযোৰি জুৰ পেলাই দিয়া।

হজৰত আনিছ (ৰাঃ)য়ে কৈছে যে এবাৰ নবী (ছাঃ)য়ে এজন লোকৰ কোৰ-আন পঢ়াৰ শব্দ শুনিছিল, যিয়ে উচ্চস্বৰে তিলাওয়াত কৰি আছিল তেতিয়া নবী (ছাঃ)য়ে কৈছিল যে এওঁ ইলাহি ভীৰু লোক। আৰু এখেতেই আছিল হজৰত মিকদাদ বিন উমৰু (ৰাঃ)। আল্লাহ তায়ালা আমাক ছলামৰ গঢ়াৰ্থ বুজাৰ তৌফিক দান কৰক। আঁহজৰত (ছাঃ)ৰ উম্মত মানি চলাৰ তৌফিক দান কৰক। নিজৰ হৃদয়ত খোদা ভীতি সৃষ্টি দিয়ক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 22 NOV. 2019**

(BOOK POST PARINTED MATTER)

To

-----------------------------------------------------------------------

-----------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844